# প্ৰাথমিক শিক্ষাৰ ডিপ্লমা পাঠ্যসূচী

# (ডি এল এড)

## পাঠ্যসূচী-৫০৩

## খণ্ড - ৩

ৰাষ্ট্ৰীয় মুক্ত বিদ্যালয় অনুষ্ঠান

A-২৪/২৫, আনুষ্ঠানিক ক্ষেত্ৰ, চেক্টৰ-৬২, নয়ডা

গৌতমবুদ্ধ নগৰ, উত্তৰ প্ৰদেশ - ২০১৩০৯

বেৰচাইট ঃ ডব্লিউ ডব্লিউ ডব্লিউ. এন আই, ও, এচি. ইন

# অধ্যায় ৮ ঃ

**গাথনি ঃ**

৮.০ আৰম্ভণি

৮.১ শৈক্ষিক উদ্দেশ্য

৮.২ পাঠ পৰিকল্পনা প্ৰস্তুতকৰণৰ তাৎপৰ্য

৮.৩ পাঠ পৰিকল্পনা কি?

৮.৪ পাঠ পৰিকল্পনাৰ উপাদান

৮.৪.১ কি শিকাব

৮.৪.২ কোনে শিকিব

৮.৪.৩ শিক্ষণৰ নিৰূপণ

৮.৪.৪ পাঠ পৰিকল্পনাৰ আহিলা

৮.৫ পাঠ গোট পৰিকল্পনা

৮.৬ পাঠ পৰিকল্পনাৰ আৰ্হি

৮.৬.১ তুলিকাৰ শ্ৰেণীকোঠা

৮.৬.২ সাতপুৰাৰ ঘন অৰণ্য

৮.৬.৩ বৰ্ণমালা শিক্ষণ

৮.৬.৪ ৰাধাৰ শ্ৰেণীকোঠা

৮.৬.৫ কথন কৌশল কাহিনী

৮.৭ প্ৰচাৰ পত্ৰ আৰু বিজ্ঞাপন

৮.৮ কেনেকৈ পাঠ পৰিকল্পনা প্ৰস্তুত কৰিব পাৰি?

৮.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.১০ পঠনৰ আভাস আৰু তথ্যৰ উৎস

৮.১১ অনুশীলনী

# শ্ৰেণীকোঠাত ভাষা শিক্ষণৰ পদ্ধতি

**৮.০ আৰম্ভণি ঃ**

ছাত্ৰ-ছাত্ৰীক ভাষা শিকোৱাৰ বহুতো উপায় আছে। তাৰ ভিতৰত কিছুমান কৌশল ইতিমধ্যে আলোচনা কৰা হৈছে— যেনে ঃ কাৰ্যকলাপৰ দ্বাৰা শিক্ষণ, ব্যাখ্যাকৰণৰ পিছত সাৰাংশ, ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন ধৰণৰ প্ৰশ্নৰ উত্তৰ দিব পৰা কৰা, সমস্যা সমাধানৰ কৌশল, তেওঁলোকক জৰীপ কৰিবলৈ সক্ষম কৰি তোলা ইত্যাদি। প্ৰতিটো কৌশলৰ লগতে এটা বিশেষ ভাষা শিক্ষণ পদ্ধতি জড়িত হৈ আছে, যিটো পদ্ধতিৰ কিছুমান বিশেষ নীতি আছে। উদাহৰণ স্বৰূপে, আমি দেখো যে কিছুমান শিক্ষকে পাঠৰ শেষত কৰা প্ৰশ্নবোৰৰ উত্তৰ নিজে কৈ দিয়ে আৰু ছাত্ৰ-ছাত্ৰীসকলক সেইবোৰৰ স্মৰণ কৰিবলৈ দিয়ে তাৰ ফলস্বৰূপে তেওঁলোকে শ্ৰেণী আৰু চূড়ান্ত পৰীক্ষাত ভাল দেখুৱাব পাৰে। আনহাতে কিছুমান শ্ৰেণীত শিক্ষণ-শিকন কাৰ্য পৰম্পৰাগত প্ৰকৃতিৰ দেখা যায় য'ত শিক্ষকে নিজৰ পদ্ধতি ব্যৱহাৰ কৰি পাঠদান কৰে আৰু ছাত্ৰ-ছাত্ৰীসকলে শিক্ষকক অনুসৰণ কৰাটো বিচাৰে। আকৌ কিছুমান শ্ৰেণীত শিক্ষকে বিভিন্ন ধৰণৰ অভিযোজন কৰি শিক্ষণ-শিকন কাৰ্য স্মৰণীয় কৰিব খোজে যাতে তাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ জ্ঞান চিৰস্থায়ী হয়। আমি আৰু দেখোঁ যে ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীকোঠাৰ বাহিৰৰ পৰাও জ্ঞান আহৰণ কৰে। তেওঁলোকে সামাজিক পৰিৱেশ তথা পাৰিবাৰিক পৰিৱেশৰ পৰাও যথেষ্ট জ্ঞান অৰ্জন কৰিব পাৰে।

এতিয়া আমাৰ আলোচনাৰ বিষয়টো হ'ল এই যে যদি ছাত্ৰ-ছাত্ৰীসকলে যিকোনো উপায়ে নিজাকৈ ভাষা শিকিব পাৰে, তেনেহ'লে আমি কিয় অযথা ভাষা শিক্ষণৰ বাবে সময় ব্যয় কৰিব লাগে? এইটো অতি গুৰুত্বপূৰ্ণ কথা যে শ্ৰেণীকোঠাৰভিতৰত আৰু শ্ৰেণীকোঠাৰ বাহিৰত ভাষা শিক্ষণে সম্পূৰ্ণ বেলেগ ফলাফল দেখুৱায়।

বিদ্যালয় হ'ল এটা আনুষ্ঠানিক শিক্ষণ প্ৰক্ৰিয়া য'ত ছাত্ৰ-ছাত্ৰীক এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত বিশেষভাৱে পৰিকলপ্তি পাঠ্যক্ৰমৰ দ্বাৰা শিক্ষা দান দিয়া হয়। এখন গণতান্ত্ৰিক সমাজৰ বাসিন্দা হিচাপে বিভিন্ন পটভূমিৰ পৰা অহা প্ৰতিটো শিশুৰে পৰিকল্পিত শিক্ষাদান পোৱাটো আমাৰ মূল লক্ষ্য। কি পদ্ধতিত শিক্ষাদান কৰিলে তেওঁলোকে এটা বিশেষ সময়ৰ ভিতৰত, এটা বিশেষ স্তৰত উপকৃত হ'ব সেয়া লক্ষ্যণীয়। তাৰোপৰি তেওঁলোকে কিমান শিকিলে সেয়া নিৰ্ধাৰণ কৰাটোও দৰকাৰ। বিদ্যালয় শিক্ষাই এই ক্ষেত্ৰত যথেষ্ট সহায় কৰে। সেইবাবে, ছাত্ৰ-ছাত্ৰীৰ সৰ্বাংগীন বিকাশৰ বাবে আমি

শ্ৰেণীকোঠাত উপযুক্ত শিক্ষণ পদ্ধতি আৰু পৰিকল্পনা ব্যৱহাৰ কৰি পাঠক্ৰম আগুৱাই নিব লাগে।

যেতিয়া আমি এখন সঠিক পৰিকল্পনা কৰিম, তেতিয়া এইটো মনত ৰখা উচিত যে ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীকোঠাত অহাৰ আগতে ইতিমধ্যে বহুত কথা শিকিছে। সেইবাবে, পৰিকল্পনাখন ছাত্ৰ-ছাত্ৰীৰ দৈনন্দিন জীৱন আৰু পৰিৱেশৰ লগত সম্পৰ্ক থকাটো অতি প্ৰয়োজনীয়।

এই অধ্যায়ৰ জৰিয়তে আমি বিভিন্ন ধৰণৰ শিক্ষণ শৈলী আৰু আৰ্হি পাঠ পৰিকল্পনাৰ বিশ্লেষণ কৰিম।

**৮.০ আৰম্ভণি ঃ**

এই অধ্যায়টো অধ্যয়ন কৰাৰ পিছত আৰু তলৰ দিয়া দিশসমূহৰ বিষয়ে ধাৰণা কৰিব পাৰিব ঃ

- ভাষা শিক্ষাৰ পৰম্পৰাগত পদ্ধতি আৰু তাৰ সীমাবদ্ধতা কি?
- পাঠ পৰিকল্পনা প্ৰস্তুত কৰাৰ প্ৰয়োজনীয়তা
- পাঠ পৰিকল্পনা কি? আমি কিয় শিক্ষণ পৰিকল্পনাতকৈ পাঠ পৰিকল্পনাত গুৰুত্ব দিওঁ?
- পাঠ্য পৰিকল্পনাৰ কাৰ্যকাৰীকৰণ আৰু নিৰ্ধাৰণ
- পাঠ পৰিকল্পনাৰ পৰিসৰ আৰু নমনীয়তা
- এখন উপযুক্ত পাঠ পৰিকল্পনাৰ প্ৰস্তুতকৰণ

**৮.২ পাঠ পৰিকল্পনা প্ৰস্তুতকৰণৰ তাৎপৰ্য ঃ**

আমি জনা উচিত যে পাঠ পৰিকল্পনা প্ৰস্তুত কৰাটো কিয় প্ৰয়োজনীয়। শিশুৱে প্ৰাকৃতিক পৰিৱেশত ভাষা আহৰণ কৰাৰ পিছতো কিয় ভাষা শিক্ষাৰ বাবে বেলেগে পাঠদানৰ প্ৰয়োজন? পৰিকল্পনাৰ কিয় প্ৰয়োজন? আমি ভালদৰে জানো যে কিছুমান শিক্ষকে পূৰ্ব প্ৰস্তুতি অবিহনে শ্ৰেণীকোঠালৈ যায় আৰু তেওঁলোকে ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজন অনুসাৰে সুন্দৰকৈ পাঠদান কৰে। সেইসকল শিক্ষকে মানসিক টোকা প্ৰস্তুত কৰি ছাত্ৰ-ছাত্ৰীৰ উপযোগীকৈ পাঠদান কৰে।

প্ৰাকৃতিকভাৱে আহৰণ কৰা জ্ঞান আৰু বিদ্যালয় শিক্ষাৰ পৰা আহৰণ কৰা জ্ঞানৰ মাজত যথেষ্ট পাৰ্থক্য আছে। আনকি মাতৃৰ মুখৰ পৰা শিকা ভাষা আৰু বিদ্যালয়ত শিকা ভাষা সম্পূৰ্ণ বেলেগ। ভাষা শিক্ষা হ'ল এটা জটিল প্ৰক্ৰিয়া। সেইবাবে বিদ্যালয় পৰ্যায়ত ভাষা শিক্ষাদানৰ বাবে শিক্ষকে গুৰুত্ব সহকাৰে পৰিকল্পনা কৰাটো অত্যন্ত দৰকাৰ।

ঘৰত শিক্ষণ প্ৰক্ৰিয়াটো হ'ল পৰীক্ষামূলক য'ত ভুল-শুধৰণিৰ কোনো ধৰা-বন্ধা নিয়ম নাথাকে। তেনে ধৰণৰ নমনীয়তা বিদ্যালয় শিক্ষাৰ ক্ষেত্ৰত দেখা নাযায়। 'সঠিকতা আৰু সম্পূৰ্ণতা' হ'ল বিদ্যালয় শিক্ষাদানৰ আটাইতকৈ গুৰুত্বপূৰ্ণ উদ্দেশ্য। সেইবাবে এই ক্ষেত্ৰত পাঠ পৰিকল্পনাৰ ভূমিকা উল্লেখযোগ্য। ব্যক্তিগত, সামাজিক, সাংস্কৃতিক আৰু ভাষিক পাৰ্থক্য থকা শ্ৰেণীকোঠা এটাত পাঠ পৰিকল্পনা প্ৰস্তুত কৰাটো এটা প্ৰত্যাহ্বান।

**অগ্ৰগতি নিৰীক্ষণ— ১**

১. বিদ্যালয়ৰ তুলনাত ঘৰত ভাষা শিক্ষাৰ সুবিধা—

ক. কম গ. সমান

খ. বেছি ঘ. যথেষ্ট নহয়।

২. 'শিশুৱে নিজৰ জ্ঞান পৰিৱেশৰ পৰা আহৰণ কৰিব পাৰে।'— আপুনি এই কথাযাৰৰ উদাহৰণৰ সৈতে বিশ্লেষণ কৰিব পাৰিবনে?

..................................................................................................................

..................................................................................................................

..................................................................................................................

৩. ভাষা শিক্ষাৰ শ্ৰেণীকোঠাত পাঠ পৰিকল্পনা কিয় অতি প্ৰয়োজনীয়?

..................................................................................................................

..................................................................................................................

..................................................................................................................

**৮.৩ পাঠ পৰিকল্পনা কি?**

পাঠ পৰিকল্পনা মানে কি সেয়া এটা শ্ৰেণীকোঠাৰ পৰিস্থিতিৰ সহায়ত বুজা যাওক।

এয়া মহিমা নামৰ এগৰাকী শিক্ষয়ত্ৰীৰ কথা, তেওঁক ৰাজস্থানৰ কোটাৰ গাঁৱলীয়া বিদ্যালয় এখনৰ পঞ্চম মান শ্ৰেণীক পঢ়াবলৈ নিযুক্তি দিয়া হৈছিল। শ্ৰেণীটোত ২৫ গৰাকী ছাত্ৰ-ছাত্ৰী আছিল। তেওঁ NCERT-ৰ কিতাপৰ ১৬ নম্বৰ পাঠৰ 'জাপান' নামৰ পাঠটো পঢ়াবলৈ এটা পৰিকল্পনা যুগুত কৰিছিল। পাঠটো জাপানৰ বতৰ আৰু উৎসৱৰ বিষয়ে আছিল। তেওঁ সৰৱ পঠনৰ দ্বাৰা পাঠটো আৰম্ভ কৰিছিল যদিও ছাত্ৰ-ছাত্ৰীসকলে ভালকৈ পাঠটো অনুসৰণ কৰিব পৰা নাছিল। দুটা অনুচ্ছেদ পঢ়াৰ পিছত তেওঁ ছাত্ৰ-ছাত্ৰীসকলক জাপানৰ বিষয়ে ক'বলৈ আৰম্ভ কৰিলে। ছাত্ৰ-ছাত্ৰীসকলে তেওঁৰ ফালে নুবুজাকৈ চাই থাকিলে। শিক্ষয়ত্ৰীগৰাকীয়ে সেইফালে দৃষ্টিগোচৰ নকৰি পুনৰ একে পদ্ধতিৰে বাকী অনুচ্ছেদবোৰো পঢ়ি গ'ল। শ্ৰেণীকোঠাটোত ছাত্ৰ-ছাত্ৰীৰ কোনো কাৰ্যকলাপ দেখা নগ'ল, সকলো ছাত্ৰ-ছাত্ৰীয়ে বহি আছিল।

এনেদৰে পাঠটো শেষ কৰি শিক্ষয়ত্ৰীগৰাকী থিয় হ'ল আৰু ব্লেকবোৰ্ডত কঠিন শব্দৰ অৰ্থ লিখিবলৈ ধৰিলে। ছাত্ৰ-ছাত্ৰীসকলে অৰ্থবোৰ নিজৰ বহীত টুকি ল'লে। শ্ৰেণীকোঠা এৰাৰ আগতে, শিক্ষয়ত্ৰী মহিমাই ঘোষণা কৰিলে যে এই পাঠটোৰ গোট পৰীক্ষাপিছদিনা হ'ব আৰু পৰীক্ষাত তেওঁ ব্লেকবোৰ্ডত লিখি দিয়া শব্দবোৰৰ অৰ্থ লিখিবলৈ দিয়া হ'ব। তেওঁ স্পষ্টভাৱে ইয়াকে নিৰ্দেশ কৰিলে যে তেওঁ বোৰ্ডত লিখি দিয়া শব্দ-অৰ্থবোৰ পঢ়িলে ছাত্ৰ-ছাত্ৰীসকলে পৰীক্ষাত সফল হ'ব পাৰিব।

**অগ্ৰগতি নিৰীক্ষণ— ২**

১. যদি আপুনি মহিমাৰ শিক্ষণৰ পদ্ধতিটো পৰিমাপ কৰিব খোজে, তেতিয়াহ'লে তলৰ প্ৰতিটো দিশতে আপুনি ১০ৰ ভিতৰত কিমান নম্বৰ দিব?

- শ্ৰেণীৰ অংশগ্ৰহণ
- শিশুকেন্দ্ৰিক শিক্ষণ
- পাঠৰ লগত প্ৰসংগৰ সংযোগ
- শিক্ষণৰ প্ৰস্তুতি
- বিষয়বস্তুৰ আয়ত্বকৰ
- ছাত্ৰ-ছাত্ৰীক স্ব-শিকনৰ সুযোগ

**৮.৪ পাঠ পৰিকল্পনাৰ উপাদান ঃ**

ৰঘুৰে তেওঁৰ পাঠ পৰিকল্পনাটো উপযোগীকৈ প্ৰস্তুত কৰাৰ তালিকালৈ মন কৰোঁ আহক—

১. কি শিকাব

২. তেওঁৰ নিজকে কেনেকৈ পাঠটো শিকোৱাৰ বাবে প্ৰস্তুত কৰিব

৩. কেনেকৈ পাঠটো শিকাব

৪. তেওঁক কেনে ধৰণৰ শিক্ষণীয় আহিলাৰ প্ৰয়োজন হ'ব

৫. ছাত্ৰ-ছাত্ৰীসকলৰ শিকন কিদৰে নিৰূপণ কৰিব

৬. যদি পৰিকল্পনাই কোনো সফলতাৰ সংকেত নিদিয়ে তেতিয়াহ'লে বিকল্প উপায় সম্ভৱ হ'বনে

এয়া হ'ল পাঠ পৰিকল্পনাৰ প্ৰাৰম্ভিক চিত্ৰ। আৰু যদি ইয়াত আপোনালোকে কিবা যোগ দিব বিচাৰে যিয়ে এই প্ৰাৰম্ভিক চিত্ৰখন বেছি তীক্ষ্ণ কৰি তুলিব? আপোনালোকে ওপৰোক্ত দিশসমূহ ফঁহিয়াই চাওক।

**৮.৪.১ কি শিকাব ঃ**

ছাত্ৰ-ছাত্ৰীসকলৰ বয়স আৰু ৰুচিৰ প্ৰতি লক্ষ্য ৰাখি লিখকসকলে পাঠ্যপুথি প্ৰণয়ন কৰে। যদিও কিতাপৰ পাঠ্যসূচী আমাৰ হাতত নাথাকে তথাপিও তাত কি কি অন্তৰ্ভূক্ত হ'ব সেয়া আমাৰ বিবেচনাধীন। আমি ছাত্ৰ-ছাত্ৰীৰ দক্ষতাৰ পৰিমাপ কৰিব পাৰিব লাগিব, কাৰণ তেতিয়াহে আমি কি শিকাম সেয়া সিদ্ধান্ত ল'ব পাৰিম। নিম্ন শ্ৰেণীত শিক্ষকসকলক পাঠ্যপুথি নিৰ্বাচন কৰাৰ দায়িত্ব দিয়াটো উচিত। শিক্ষক হিচাপে প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ দক্ষতা জনাটো দৰকাৰ আৰু সেইমতে তেওঁলোকৰ উপযোগী পাঠ্যপুথি নিৰ্বাচন কৰিব লাগে। যদি এখন কিতাপত ২০টা পাঠ আছে, তাৰমানে যে ২০টা পাঠেই পঢ়াব লাগিব সেয়া নুবুজায়। তাৰ পৰা যদি আমি ১২ টা পাঠ নিৰ্বাচন কৰি লও আৰু সেইমতে যদি আমি প্ৰথমৰ পৰাই পৰিকল্পনা কৰি নলও, তেনেহ'লে নিৰ্দিষ্ট সময়ৰ ভিতৰত পাঠ্যসূচী সম্পূৰ্ণ

কৰাটো অসম্ভৱ। তাৰোপৰি পাঠসমূহ এনেদৰে নিৰ্বাচন কৰি ল'ব লাগিব যাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ ধাৰাবাহিক বিকাশত সহায়ক হ'ব।

**৮.৪.২ কোনে শিকাব ঃ**

ছাত্ৰ-ছাত্ৰীৰ চৰিত্ৰ আৰু ধৰণ গম পালেহে আমি এখন উপযুক্ত পাঠ পৰিকল্পনা ভালদৰে প্ৰস্তুত কৰিব পাৰিম। এইটো মন কৰিবলগীয়া কথা যে ছাত্ৰ-ছাত্ৰীৰ শ্ৰেণীকোঠাত সোমোৱাৰ আগতে শিকাবলগীয়া পাঠৰ বিষয়ে জানিছে নেকি। যদি সেয়া হয় তেনেহ'লে শিক্ষণ-শিকন প্ৰক্ৰিয়া অসাৰ্থক হ'ব। উদাহৰণ স্বৰূপে 'দেৱালী উদ্‌যাপন' পাঠটোৰ কথা ধৰা যাওক। পাঠটো পঢ়োৱাৰ আগতে আমি জানি ল'ব লাগিব যে ছাত্ৰ-ছাত্ৰীসকলে দেৱালী উৎসৱটোৰ বিষয়ে কিমান জানে। তাৰ পিছত ছাত্ৰ-ছাত্ৰীৰ ভাষাৰ বিষয়েও জানিব লাগিব যে শ্ৰেণীকোঠাত শিকোৱা ভাষাটো তেওঁৰ প্ৰথম ভাষা, দ্বিতীয় ভাষা নে তৃতীয় ভাষা। উদাহৰণ স্বৰূপে, এগৰাকী উড়িয়া ভাষী ছাত্ৰই বিদ্যালয়ত হিন্দী তেওঁৰ প্ৰথম ভাষা হিচাপে ল'ব লগা হয়। কাৰণ সেই বিদ্যালয়খনত ৯০% ছাত্ৰ-ছাত্ৰীয়ে হিন্দীভাষী। এই ক্ষেত্ৰতে শিক্ষকে মন কৰিব লাগিব যে যিটো ভাষা তেওঁ বিদ্যালয়ত প্ৰথম ভাষা হিচাপে লৈছে সেইটো তেওঁৰ দ্বিতীয় বা তৃতীয় ভাষাহে। একে ধৰণৰ আৰু ছাত্ৰ-ছাত্ৰী আছে নে নাই সেয়াও শিক্ষকে চকু দিব লাগিব আৰু সেইমতে তেওঁ পাঠ পৰিকল্পনা প্ৰস্তুত কৰিব লাগিব। আমি ইতিমধ্যে কৈ আহিছো যে, শিশুসকলক প্ৰাথমিক স্তৰত নিজৰ ঘৰৰ ভাষা ব্যৱহাৰ কৰিবলৈ দিব লাগে।

**৮.৪.৩ শিক্ষণৰ নিৰূপণ ঃ**

পাঠ আদান-প্ৰদানৰ সময়ত ধাৰাবাহিক নিৰূপণৰ অতি দৰকাৰ। শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ আৰু প্ৰতিক্ৰিয়াৰ দ্বাৰাই শিক্ষণৰ নিৰূপণ কৰিব পাৰি। যদি দেখা যে শিক্ষণৰ ফলাফল সন্তোষজনক নহয় তেতিয়াহ'লে তাতেই শিক্ষণ সামৰি পাঠ পৰিকল্পনাখন সলাই আৰু বেছি মনোগ্ৰাহীকৰিব লাগে যাতে তাৰ পৰা ছাত্ৰ-ছাত্ৰীসকলে ইতিবাচক সফলতা লাভ কৰিব পাৰে। সেইবাবে শিক্ষক হিচাপে আমি পাঠ পৰিকল্পনাখন নমনীয়তাৰে ব্যৱহাৰ কৰিব লাগে যাতে ইয়ে আমাৰ ধাৰাৱাহিক মূল্যায়নত সহায়ক হয়।

**৮.৪.৪ কেনেকৈ শিকাব ঃ**

ছাত্ৰ-ছাত্ৰীক শিকোৱাৰ ক্ষেত্ৰত শিক্ষকে বহুতো ন ন পদ্ধতি নিজাববীয়াকৈ ল'ব পাৰে। তাৰ বাবে শিক্ষকে আগতীয়াকৈ কিছু কাৰ্যপন্থা হাতত লোৱাটো দৰকাৰ। যেনে— আমি পাঠদানৰ উপযোগীকৈ সকলো ধৰণৰ শিক্ষণীয় আহিলা পাঠদানৰ আগতে যোগাৰ কৰি ল'ব লাগে। কিছুমান গুৰুত্বপূৰ্ণ শিক্ষণীয় আহিলা হ'ল— পাঠ পৰিকল্পনা, কৰ্ম-পৃষ্ঠা, মানচিত্ৰ, ফটো, কৰ্মপুস্তিকা ইত্যাদি। বিভিন্ন ভাষা শিক্ষণ সামগ্ৰীও অত্যন্ত দৰকাৰী। যেনে ঃ শব্দৰ ছবি, বৰ্ণৰ ছবি ইত্যাদি।

**অগ্ৰগতি নিৰীক্ষণ— ৩**

১. শিকনৰ পথটো মুখ্যত পৰিচালনা কৰে—

(ক) শিক্ষক, (খ) পিতৃ-মাতৃ, (গ) শিশুৱে নিজে, (ঘ) পাঠ্যক্ৰম প্ৰণেতাই

২. শ্ৰেণীকোঠাৰ পৰিমাণ আৰু ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন পৰ্যায় জনাটো আপোনাৰ বাবে কিয় দৰকাৰী?

........................................................................................................

........................................................................................................

........................................................................................................

৩. 'পাঠ পৰিকল্পনাৰ নমনীয়তা' বুলিলে কি বুজে?

........................................................................................................

........................................................................................................

........................................................................................................

৪. আমি কিয় প্ৰাথমিক পৰ্যায়ত ছাত্ৰ-ছাত্ৰীৰ স্তৰ অনুযায়ী ভাষা ব্যৱহাৰ কৰিব লাগে?

........................................................................................................

........................................................................................................

........................................................................................................

### ৮.৫ আগতীয়াকৈ কিমান পৰিকল্পনা কৰিব লাগে

বেছিভাগ সময়ত দেখা যায় যে বিদ্যালয়খনে শিক্ষকৰ বছৰেকীয়া দিনলিপিখন সম্পূৰ্ণ কৰাতহে বেছি গুৰুত্ব দিয়ে। ইয়াৰ দ্বাৰা এইটো সূচায় যে শিক্ষকে কঠিন পৰিশ্ৰম কৰিছে, কিন্তু ইয়াৰ দ্বাৰা শিক্ষণ প্ৰক্ৰিয়া উপযোগী নহয়। এনেবোৰ বিদ্যালয়ত, সাপ্তাহিক বা দৈনিক অগ্ৰগতিৰ হিচাপ শিক্ষকৰ দ্বাৰা লোৱা হয়, ইয়াত ছাত্ৰ-ছাত্ৰীৰ কোনো ভূমিকা নাথাকে। এনেধৰণৰ পদ্ধতিত ছাত্ৰ-ছাত্ৰীৰ ৰুচি বিকাশৰ কোনো সুবিধা নাথাকে। ভাষা শিক্ষাৰ ক্ষেত্ৰত এয়া এক ডাঙৰ প্ৰতিবন্ধক।

কিমান আগতীয়াকৈ পাঠ পৰিকল্পনা এখন যুগুত কৰিব পাৰি? ইয়াৰ কোনো সঠিক উত্তৰ নাই। পাঠ পৰিকল্পনাখন এনেদৰে প্ৰস্তুত কৰিব লাগে যাতে তাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীয়ে নিজৰ খোকোজাবোৰ দূৰ কৰাৰ ক্ষেত্ৰত যথেষ্ট সুবিধা পায় আৰু শ্ৰেণীকোঠাত স্বতঃস্ফূৰ্তভাৱে অংশগ্ৰহণ কৰিব পাৰে।

শিক্ষকে সদায় সচেতন হ'ব লাগে যাতে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে ব্যক্তিগত মনোযোগ পায় আৰু তেওঁলোকে শ্ৰেণীকোঠাত অংশগ্ৰহণৰ সুবিধা পায়। ৰঙা চিয়াহীৰে ভুল চিন দিয়াতকৈ শিক্ষকে এই ভুলটো কিয় কৰিলে সেয়া বিবেচনা কৰাটোহে দৰকাৰ। ইয়াকে কয় ভুল বিশ্লেষণ। ভুলটো সদায় বিশ্লেষণ কৰি চাব লাগে আৰু ইয়াক সংশোধনৰ বাবে পৰিকল্পনা কৰিব লাগে। তেতিয়াহে পুনৰ ভুলৰ

পুনৰাবৃত্তি নঘটিব।

**অগ্রগতি নিৰীক্ষণ— ৪**

১. তলৰ বাক্যটো সম্পূৰ্ণ কৰা।

সাধাৰাণতে শিক্ষকে ________ আৰু ________ প্ৰস্তুতকৰণত গুৰুত্ব দিয়ে।

২. এই উপ-অধ্যায়টোত শিশুকেন্দ্ৰিক পাঠ পৰিকল্পনা প্ৰস্তুত কৰাৰ ক্ষেত্ৰত কোনবোৰ কাৰকৰ ওপৰত গুৰুত্ব দিয়া হৈছে?

..............................................................................................................

..............................................................................................................

..............................................................................................................

৩. যদি ছাত্ৰ-ছাত্ৰীক পাঠ পৰিকল্পনাৰ ক্ষেত্ৰত মুখ্য ভূমিকা দিয়া হয়, তেতিয়াহ'লে শিক্ষণৰ ক্ষেত্ৰত কি পাৰ্থক্য দেখা যাব?

..............................................................................................................

..............................................................................................................

..............................................................................................................

৪. আপুনি কেনেকৈ বিষয়টো আৰম্ভ হোৱাৰ আগতে পাঠ পৰিকল্পনা কৰিব?

..............................................................................................................

..............................................................................................................

..............................................................................................................

**৮.৬ আৰ্হি পাঠ পৰিকল্পনা ঃ**

এতিয়া আমি তলত কিছুমান আৰ্হি হিচাপে পাঠ পৰিকল্পনা প্ৰস্তুত কৰি দিছো, যাৰ দ্বাৰা আপোনালোকে পৰ্যবেক্ষণ আৰু বিশ্লেষণ কৰি ক'ব পাৰিব এই পৰিকল্পনাসমূহত কি পদ্ধতি ব্যৱহাৰ কৰা হৈছে।

**৮.৬.১ আৰ্হি পাঠ এক— তুলিকাৰ শ্ৰেণীকোঠা ঃ**

এই পাঠ পৰিকল্পনাটো হ'ল তুলিকা নামৰ দ্বিতীয় শ্ৰেণীৰ শিক্ষয়ত্ৰী এগৰাকীৰ। তেওঁৰ পৰিকল্পনাটো বিশ্লেষণ কৰো আহক।

গ্ৰাম্য বিহাৰৰ কল্যাণপুৰ নামৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়ত্ৰী হ'ল তুলিকা। সেই স্কুলখন গাঁওখনৰ এটা মূৰত অৱস্থিত আৰু আনটো মূৰত এখন অৰণ্য। খেতিয়েই হ'ল তাৰ লোকসকলৰ প্ৰধান জীৱিকা। কিছুমান পিতৃ-মাতৃয়ে চহৰত মুচি, ৰিক্সাচালক, মিস্ত্ৰী আদিৰ কাম কৰে আৰু সপ্তাহৰ মূৰত এদিন ঘৰলৈ

আহে। বেছিভাগ ল'ৰা-ছোৱালীয়ে তেওঁলোকৰ মাকক খেতি পথাৰত সহায় কৰে, নিজৰ ভায়েক-ভনীয়েকক চকু দিয়ে, ৰন্ধা-বঢ়া কৰে ইত্যাদি। বেছিভাগ ল'ৰা-ছোৱালীৰে মাক-দেউতাক অশিক্ষিত, কিছুমান অৰ্ধশিক্ষিত। তেওঁৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাতৰি কাকত, আলোচনী বা কিতাপৰ লগত কোনো সংযোগ নাই।

তুলিকাৰ শ্ৰেণীত ৩০ গৰাকী ছাত্ৰ-ছাত্ৰী। ছাত্ৰ-ছাত্ৰীসকলে ঘৰত ভোজপুৰী ভাষাত কথা কৈছিল আৰু বিদ্যালয়ত শিক্ষাৰ মাধ্যম আছিল হিন্দী। ছাত্ৰ-ছাত্ৰীসকলে সকলো বৰ্ণমালা চিনি পাইছিল আৰু দুই এটা শব্দ পঢ়িবও পাৰিছিল, কিন্তু তেওঁলোকে সাধু কিতাপ সলসলীয়াকৈ পঢ়িব নোৱাৰিছিল আনকি বাক্যও ভালদৰে বুজি নাপাইছিল। এই উদাহৰণটো এখন পাঠ্যপুথিৰ পৰা লোৱা হৈছে। সাধুটোৰ নাম হ'ল 'সঁচা মিত্ৰ'। এইটো বিহাৰ বৰ্ডৰ দ্বিতীয় শ্ৰেণীৰ পাঠ্যপুথিৰ ১০ নম্বৰ অধ্যায়।

তুলিকাই ঠিক কৰিলে যে তেওঁ ছাত্ৰ-ছাত্ৰীসকলক পাঠটো হিন্দী আৰু ভোজপুৰী ভাষাত বুজাব। তেওঁ এইটো ভালদৰে বুজি পাইছিল যে ছাত্ৰ-ছাত্ৰীসকলে ভোজপুৰী ভাষাত উত্তৰ দিবলৈহে বেছি ভাল পায়। তেওঁ এইটোও বুজি পাইছিল যে ছাত্ৰ-ছাত্ৰীৰ ভাষা শিক্ষা বিকাশৰ বাবে পঠন, লিখন, কথন আৰু শ্ৰৱণ এই চাৰিওটা কৌশলতে সমানে গুৰুত্ব দিব লাগিব। নহ'লে ভাষা শিক্ষা সম্পূৰ্ণ হ'ব নোৱাৰে।

কাহিনীটো দুজন বন্ধুৰ। তেওঁলোকে এদিন ঘৰলৈ উভতাৰ পথত এটা ভালুকৰ মুখামুখি হ'ল। তুলিকাই ঠিক কৰিলে যে তেওঁ ছাত্ৰ-ছাত্ৰীসকলৰ লগত তেওঁলোকে কি কি জীৱ-জন্তুৰ বিষয়ে জানে সেই সম্পৰ্কে আলোচনা কৰিব।

তেওঁ এসপ্তহাৰ ভিতৰত কাহিনী শেষ কৰিলে আৰু প্ৰতিদিনে ৩৫ মিনিটকৈ পঢ়ালে। শ্ৰেণীকোঠাত সোমোৱাৰ আগতে তেওঁ দুবাৰ তিনিবাৰকৈ কাহিনীটো পঢ়ে। তেওঁৰ শৈক্ষিক উদ্দেশ্য আৰু পাঠ পৰিকল্পনাৰ দিশসমূহ হ'ল—

- ছাত্ৰ-ছাত্ৰীসকলক ছবি অঁকা কাৰ্যকলাপৰ দ্বাৰা ব্যস্ত কৰি ৰখা
- শিক্ষকৰ আৰু ইজনে সিজনৰ লগত কথা পতাৰ সুবিধা প্ৰদান কৰা
- তেওঁলোকক ছবিৰ বিষয়ে ক'বলৈ সুবিধা প্ৰদান কৰা
- তেওঁলোকক কাহিনীটো পঢ়িবলৈ আৰু বুজিবলৈ সক্ষম কৰি তোলা
- তেওঁলোকক বিভিন্ন ধৰণৰ জন্তুৰ নাম লিখিবলৈ সক্ষম কৰা
- কাহিনীৰ সমাপ্তি সম্পৰ্কে ভৱিষ্যত বাণী কৰিবলৈ সক্ষম কৰা
- তেওঁলোকৰ চাৰিওফালে দেখা জন্তুবোৰৰ সম্পৰ্কে ক'বলৈ উৎসাহী কৰি তোলা

তেওঁৰ প্ৰতিদিনৰ পাঠ পৰিকল্পনা তলত দিয়া ধৰণৰ—

**দিন - ১ ঃ**

ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ চাৰিওফালে দেখি থকা জন্তুবোৰৰ লগত লিখিতভাৱে পৰিচিত কৰোৱা—

**পদ্ধতি ঃ**

১. ছাত্র-ছাত্রীসকলক তেওঁলোকৰ চাৰিওফালে দেখি থকা জন্তুবিলাকৰ নাম লিখিবলৈ কোৱা

২. তেওঁলোকৰ প্ৰিয় জন্তুৰ ছবি আঁকিবলৈ কোৱা আৰু সেই জন্তুটোৰ বহীত চিনাক্ত কৰি ঘূৰণীয়াকে দাগ দিবলৈ কোৱা

৩. তেওঁলোকক জন্তুবোৰৰ নাম পঢ়িবলৈ দিয়া (ভাষা খেলৰ জৰিয়তে) আৰু জন্তুবোৰৰ চিঞৰ বা মাত অনুকৰণ কৰিবলৈ দিয়া।

**দিন - ২ ঃ**

ছাত্ৰ-ছাত্ৰীৰ মাজত দূৰদৰ্শিতাৰ কৌশল বিকশিত কৰা।

**পদ্ধতি ঃ**

১. ছাত্ৰ-ছাত্ৰীক কাহিনীটোৰ সৈতে কিছু সময় এৰি দিব লাগে

২. ছাত্ৰ-ছাত্ৰীক কাহিনীটো উপস্থাপনৰ বাবে প্ৰস্তুত কৰি তোলা

৩. ছাত্ৰ-ছাত্ৰীসকলক কাহিনীৰ মাজভাগত কাহিনীৰ সমাপ্তি সম্পৰ্কে ভৱিষ্যতবাণী কৰিবলৈ প্ৰস্তুত কৰোৱা

৪. সকলো ভৱিষ্যতবাণী বোৰ্ডত লিখিবলৈ দিয়া

**দিন - ৩ ঃ**

কাহিনী সমাপ্তিকৰণ (ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতবাণীৰ আধাৰত)

১. গোটেই কাহিনীটো সৰৱে পঢ়া আৰু তাৰ মাজৰ পৰা ছাত্ৰ-ছাত্ৰীসকলৰ পৰিচিত কিছুমান শব্দ ব্লেকবোৰ্ডত লিখি দিয়া।

২. ছাত্ৰ-ছাত্ৰীক সেই শব্দবোৰ নিজৰ নিজৰ বহীত লিখিবলৈ কোৱা

৩. ছাত্ৰ-ছাত্ৰীসকলক কিছুমান শব্দ পৃষ্ঠাত লিখিবলৈ দিয়া আৰু ভাষা খেলৰ জৰিয়তে শব্দবোৰ স্মৰণ কৰোৱা

**দিন - ৪ ঃ**

প্ৰথম অংশ কাহিনীৰ পঠন আৰু ছাত্ৰ-ছাত্ৰীক কঠিন শব্দৰ অৰ্থৰ পাঠৰ পৰা অনুমান কৰোৱা

**দিন - ৫ ঃ**

ছাত্ৰ-ছাত্ৰীসকলৰ লগত একেলগে শব্দৰ অনুশীলন কৰা (পাঠৰ শেষত দিয়া থাকে)

**দিন - ৬ ঃ**

ছাত্ৰ-ছাত্ৰীসকলৰ লগত একেলগে বাক্যৰ অনুশীলন কৰা (পাঠৰ শেষত দিয়া থাকে)

**সাৰাংশ আৰু বিশ্লেষণ ঃ**

**দিন - ১ ঃ** তুলিকাই ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ চাৰিওফালে দেখা জীৱ-জন্তুৰ কথা সুধি তেওঁৰ শিক্ষণ আৰম্ভ কৰে। তাৰ পিছত তেওঁ জন্তুবোৰৰ নাম বোৰ্ডত লিখে। তেওঁ লিখা শব্দবোৰৰ তলে তলে ছাত্ৰ-ছাত্ৰীসকলকো লিখিবলৈ দিয়ে। তেওঁলোকে প্ৰথমতে ঘৰচীয়া জন্তুৰ নাম আৰু তাৰ পিছত বনৰীয়া জন্তুৰ বিষয়ে কয়।

**দিন - ২ ঃ** তুলিকাই কাহিনীত থকা তিনিখন ছবি ছাত্ৰ-ছাত্ৰীৰ আগত দাঙি ধৰে আৰু ছাত্ৰ-ছাত্ৰীসকলে ছবিত কি দেখিছে সেয়া বুজাব দিয়ে। ছাত্ৰ-ছাত্ৰীসকলে তুলিকাই কোৱা মতে ছবিসমূহৰ বিষয়ে সাধ্যানুসাৰে বুজায় দিয়ে। ছাত্ৰ-ছাত্ৰীসকলৰ পৰা উপযুক্ত সঁহাৰি পাই তুলিকাই তেওঁলোকক উৎসাহিত কৰে।

তাৰ পিছত তুলিকাই কাহিনীটো লাহে লাহে সৰৱ পঠন কৰে আৰু ছাত্ৰ-ছাত্ৰীসকলে তেওঁক অনুসৰণ কৰে। প্ৰায় আধা সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে তুলিকাৰ লগত সমানে নীৰৱ পঠন কৰে। যেতিয়া কাহিনীৰ বন্ধু দুজনে ভালুকৰ মুখামুখি হয় তেতিয়া তেওঁ পঢ়িবলৈ বন্ধ কৰে আৰু ছাত্ৰ-ছাত্ৰীসকলক বন্ধু দুজনে কি কৰিব সোধে। ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন সম্ভাৱনাৰ কথা আৰু তুলিকাই সেই সম্ভাৱনাবোৰ ছাত্ৰ-ছাত্ৰীৰ নামৰ সৈতে বোৰ্ডত লিখি থয়।

**দিন - ৩ ঃ** আজি তুলিকাই বাৰে বাৰে কাহিনীটো পঢ়ে, আৰু আগতে পঢ়িবলৈ বন্ধ কৰা ঠাইত বন্ধ কৰে। তেওঁ এই প্ৰক্ৰিয়াটোৰ পুনৰাবৃত্তি কৰি থাকে যাতে ছাত্ৰ-ছাত্ৰীয়ে কাহিনীটোৰ সমাপ্তিৰ বিষয়ে অনুমান কৰিব পাৰে। কাহিনীটো শেষ হোৱাৰ পিছত তুলিকাই ইয়াৰ চৰিত্ৰসমূহ বিশ্লেষণ কৰে। তেওঁ ছাত্ৰ-ছাত্ৰীৰ পৰা কিছুমান প্ৰশ্নৰ উত্তৰ বিচাৰে। যেনে ঃ তেওঁলোকৰ বন্ধুৰ পৰা কেনেধৰণৰ আচৰণ বিচাৰে, বন্ধুত্বৰ ফলত কি হয়, ইত্যাদি।

তাৰ পিছত তেওঁ 'ভালুক' শব্দটো বোৰ্ডত লিখে আৰু ছাত্ৰ-ছাত্ৰীসকলক কাহিনীটোৰ 'ভালুক' শব্দটোত ঘূৰণীয়াকে দাগ দিবলৈ কয়। তাৰ পিছত তেওঁ ছাত্ৰ-ছাত্ৰীসকলক প্ৰশ্ন কৰে যে তেওঁলোকে কিমান বাৰ এই শব্দটো কাহিনীটোত পাইছে। তেওঁ এই প্ৰক্ৰিয়াটো আন কিছুমান শব্দৰ ক্ষেত্ৰতো ব্যৱহাৰ কৰে।

শব্দ চিনাক্তকৰণ খেলৰ পিছত তেওঁ নাটকীয় খেলৰ সহায়ত ছাত্ৰ-ছাত্ৰীক কাহিনীৰ মাজলৈ লৈ যায়। ছাত্ৰ-ছাত্ৰীৰ নাটকীয় খেলটো বুজিবলৈ অলপ সময় লাগে যদিও পিছত তেওঁলোকে গুৰুত্ব সহকাৰে খেলিবলৈ লয়।

**দিন - ৪ ঃ** চতুৰ্থ দিনা তুলিকাই কঠিন শব্দৰে তেওঁৰ পাঠদান আৰম্ভ কৰে। তেওঁ পাঠত পোৱা কঠিন শব্দবোৰ ছাত্ৰ-ছাত্ৰীক চিনাক্ত কৰিবলৈ কয় আৰু সেইবোৰ বোৰ্ডত লিখি লয়। তেওঁ ছাত্ৰ-ছাত্ৰীসকলৰ কোনোবাই যদি সেই শব্দবোৰৰ অৰ্থ জানে তেতিয়াহ'লে ক'বলৈ কয় আৰু সেই শব্দবোৰৰ দ্বাৰা বাক্য সাজিবলৈ ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰে। তাৰ পিছত তেওঁ কঠিন শব্দবোৰৰ অৰ্থ ব্যাখ্যা কৰে আৰু তাৰ পৰা ছাত্ৰ-ছাত্ৰীসকলক বাক্য গঠন কৰিবলৈ দিয়ে।

**দিন - ৫ ঃ** তুলিকাই পঞ্চম দিনা পাঠৰ শেষত দিয়া অনুশীলনবোৰ ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগত

কৰিবলৈ আৰম্ভ কৰে। তেওঁ দুই তিনিজন ছাত্ৰ-ছাত্ৰীক বোৰ্ডত অনুশীলনবোৰ কৰিবলৈ দিয়ে আৰু বাকীবোৰক নিজৰ বহীত কৰি ল'বলৈ দিয়ে। কিছুমান ছাত্ৰ-ছাত্ৰীয়ে আনবোৰতকৈ খৰকৈ অনুশীলন শেষ কৰিব পাৰে। তুলিকাই তেওঁলোকক পিছৰ অনুশীলনবোৰ আৰম্ভ কৰিব দিয়ে। তাৰ পিছত তুলিকাই অসম্পূৰ্ণ বাক্য কিছুমান বোৰ্ডত লিখি দিয়ে আৰু ছাত্ৰ-ছাত্ৰীক সেইবোৰ সম্পূৰ্ণ কৰিবলৈ দিয়ে। বেছিসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে মৌখিকভাৱে উত্তৰ দিবলৈ সক্ষম হয় আৰু কমসংখ্যকে বহীত লিখি লয়। এইদৰে সেইদিনাৰ পাঠদানৰ সমাপ্তি ঘটে।

**দিন - ৬ ঃ** ষষ্ঠ দিনা তুলিকাই বাক্য গঠনৰ অনুশীলনৰ দ্বাৰা তেওঁৰ পাঠদান আৰম্ভ কৰে। প্ৰথমতে তেওঁ প্ৰশ্নোত্তৰ পদ্ধতিৰ অনুশীলন কৰে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক অনুশীলনীত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিবলৈ উৎসাহী কৰে। কিছুমানে উত্তৰ দিব পাৰে আৰু কিছুমানে নোৱাৰে। ছাত্ৰ-ছাত্ৰীৰ সহায়ত তেওঁ উত্তৰবোৰ আলোচনা কৰে। ছাত্ৰ-ছাত্ৰীৰ পৰা পোৱা আটাইতকৈ ভাল উত্তৰটো তেওঁ বোৰ্ডত লিখি দিয়ে আৰু ছাত্ৰ-ছাত্ৰীসকলক টুকি ল'বলৈ দিয়ে। যিসকলৰ ছাত্ৰ-ছাত্ৰীয়ে সঠিকভাৱে বোৰ্ডৰ পৰা টুকি ল'ব নোৱাৰে তেওঁ সেইসকলক সহায় কৰি দিয়ে।

তাৰ পিছত তেওঁ অনুশীলন-৪লৈ আগবাঢ়ে। এই অনুশীলনটো তেওঁ আলোচনাৰ মাধ্যমেৰে কৰে। অনুশীলনৰ মাজভাগত পাঠদানৰ সমাপ্তি ঘটে। বাকী থকা অনুশীলনখিনি তেওঁ গৃহ কৰ্ম হিচাপে ছাত্ৰ-ছাত্ৰীসকলক কৰিবলৈ দিয়ে।

**অগ্ৰগতি নিৰীক্ষণ— ৫**

১. শ্ৰেণীকোঠাত কিমান ছাত্ৰ-ছাত্ৰী আছিল?

(ক) ১০ (খ) ২০ (গ) ৩০ (ঘ) ৪০

২. তুলিকাই কিয় ছবি কাৰ্ডৰ সলনি ছাত্ৰ-ছাত্ৰীসকলক জন্তুৰ ছবি আঁকিবলৈ দিছিল?

.............................................................................................................

.............................................................................................................

.............................................................................................................

৩. তেওঁ কিয় ছাত্ৰ-ছাত্ৰীসকলক কেইটামান জন্তুৰ নাম ক'বলৈ দিয়া নাছিল কাৰণ তেওঁ পৰীক্ষা কৰি চাইছিল যে ছাত্ৰ-ছাত্ৰীসকলে জানে নে নাজানে?

.............................................................................................................

.............................................................................................................

.............................................................................................................

৪. তেওঁ কিয় ছাত্ৰ-ছাত্ৰীসকলক কাহিনীৰ সমাপ্তি অনুমান কৰিব দিছিল?

.................................................................................................................................

.................................................................................................................................

.................................................................................................................................

৫. তুলিকাই কিয় কাহিনীটোৰ প্ৰথমভাগ তৃতীয় দিনাখন পুনৰাবৃত্তি কৰিছিল?

.................................................................................................................................

.................................................................................................................................

.................................................................................................................................

৬. আপুনি তুলিকাৰ ঠাইত হোৱা হ'লে, যদি অভিভাৱক বা পিতৃ-মাতৃয়ে অভিযোগ কৰিলে হয় যে আপুনি ভাষা শিক্ষাৰ সলনি বিভিন্ন অদৰকাৰী কাৰ্য-কলাপেৰে পাঠদান কৰিছে, তেতিয়া আপুনি সেই পৰিস্থিতিৰ মোকাবিলা কিদৰে কৰিলে হয়?

.................................................................................................................................

.................................................................................................................................

.................................................................................................................................

**৮.৬.২ আৰ্হি পাঠ দুই— সাতপুৰাৰ ঘন অৰণ্য ঃ**

এতিয়া আমি জীনা নামৰ শিক্ষয়ত্ৰীগৰাকীয়ে প্ৰস্তুত কৰা কবিতা পাঠৰ পৰিকল্পনা এটা চাও আহক।

ভূপাল চহৰৰ উপকণ্ঠ অঞ্চলৰ মঙ্গলপুৰি বিদ্যালয়ত জীনা নামৰ শিক্ষয়ত্ৰীগৰাকীয়ে পঞ্চম মান শ্ৰেণীত পাঠদান কৰে। এই ঠাইৰ বাসিন্দাসকলে সৰু কেঁচা ঘৰত বাস কৰে। সেই ঠাইৰ লোকসকলৰ কোনো নলাৰ ব্যৱস্থা, পৰিষ্কাৰ খোৱা পানী, বিজুলী বা কোনো উপযুক্ত পথৰ ব্যৱস্থাও নাছিল, পথৰ লাইটবোৰে আছিল একমাত্ৰ পোহৰৰ উৎস। বেছিসংখ্যক পিতৃ-মাতৃ আছিল অশিক্ষিত আৰু কিছুমানেহে পঞ্চমমানৰ দেওনা পাৰ হ'ব পাৰিছিল। তেওঁলোকৰ বেছিভাগে আছিল শ্ৰমিক, ৰিক্সাচালক আৰু ঘৰুৱা সহায়কাৰী। জীনাৰ শ্ৰেণীকোঠাত ২৫ গৰাকী ছাত্ৰ-ছাত্ৰী আছিল। ছাত্ৰ-ছাত্ৰীসকলে হিন্দী ভাষা কৈছিল যদিও তেওঁলোকে বহুতো শব্দ উৰ্দু, গণ্ডি আৰু মালভি ভাষাৰো ব্যৱহাৰ কৰিছিল। বেছি সংখ্যক ল'ৰা-ছোৱালীয়ে ভালদৰে পঢ়িব পৰা নাছিল। যি দুই-এজনে পঢ়িব পাৰিছিল সেয়াও আছিল অত্যন্ত মন্থৰ গতিৰ।

'সাতপুৰাৰ ঘন অৰণ্য' কবিতাটো মধ্যপ্ৰদেশৰ এখন ঘন অৰণ্যৰ বিষয়ে। জীনাই কবিতাটো দুই তিনিবাৰ সৰৱে পঢ়িলে। তেওঁ শিক্ষণীয় উপকৰণ হিচাপে মধ্যপ্ৰদেশৰ মানচিত্ৰ এখন ব্যৱহাৰ কৰিছিল য'ত তেওঁ সাতপুৰাৰ অৱস্থিতি ছাত্ৰ-ছাত্ৰীক দেখুৱাইছিল। তেওঁ কবিতাটো পঢ়াবৰ বাবে চাৰিদিনৰ পৰিকল্পনা কৰিছিল। তেওঁৰ উদ্দেশ্যসমূহ হ'ল—

- ছাত্ৰ-ছাত্ৰীসকলে অৰণ্য সম্পৰ্কে নিজৰ অভিজ্ঞতা ব্যক্ত কৰা
- দলীয় আলোচনাৰ মাধ্যমেৰে ছাত্ৰ-ছাত্ৰীৰ কথন দক্ষতা বৃদ্ধি কৰা
- ছাত্ৰ-ছাত্ৰীক কবিতাৰ ভাষা আৰু শৈলী বুজাত সহায় কৰা
- ছাত্ৰ-ছাত্ৰীসকলক কবিতাটো নিজৰ ভাষাত লিখিব পৰা কৰা

তেওঁৰ দৈনিক পৰিকল্পনা আছিল এনে ধৰণৰ—

**দিন - ১ ঃ**

- অৰণ্যৰ অভিজ্ঞতাৰ আদান-প্ৰদান
- বিভিন্ন উপায়েৰে সাতপুৰাৰ লগত ছাত্ৰ-ছাত্ৰীক পৰিচিত কৰোৱা
- আত্মবিশ্বাসেৰে কবিতা আবৃত্তি কৰাত ছাত্ৰ-ছাত্ৰীক সহায় কৰা
- নিজৰ আৰু পঢ়াশালিৰ ভাষাৰে জন্তুৰ নাম আয়ত্তকৰণ

**দিন - ২ ঃ**

- কঠিন শব্দৰ অৰ্থ বিচাৰি উলিওৱা
- আলোচনাৰ মাধ্যমেৰে পাঠৰ আয়ত্তকৰণ
- যৌগিক শব্দৰ লগত পৰিচিত কৰোৱা

**দিন - ৩ ঃ**

- আলোচনাৰ জৰিয়তে কবিতাটো বোধগম্য কৰা
- শ্ৰেণীকোঠাৰ পৰিস্থিতিৰ সহায়ত অভিজ্ঞতা আহৰণ কৰা
- ছাত্ৰ-ছাত্ৰীৰ লগত একেলগে পাঠৰ শেষত দিয়া অনুশীলন সম্পূৰ্ণ কৰা

**দিন - ৪ ঃ**

- পাঠত দিয়া ক্ৰিয়া-কলাপবোৰ ছাত্ৰ-ছাত্ৰীৰ সহায় সম্পূৰ্ণ কৰা
- ছাত্ৰ-ছাত্ৰীক প্ৰশ্নৰ উত্তৰ প্ৰস্তুত কৰাত সহায় কৰা
- ছন্দৰ মিল থকা শব্দৰ লগত পৰিচিত কৰোৱা

**সাৰাংশ আৰু বিশ্লেষণ ঃ**

**দিন - ১ ঃ** জীনাই তেওঁৰ প্ৰথম দিনাৰ পাঠদান ছাত্ৰ-ছাত্ৰীসকল অৰণ্য দেখিছেনে নাই সেই সম্পৰ্কে সুধিব আৰম্ভ কৰিলে। আৰু কোনোবাই অৰণ্যৰ বিষয়ে হিন্দীত ক'ব পাৰিব নেকি সুধিলে। তেওঁ যি সকলে ক'ব পাৰিলে তেওঁলোকৰ নামবোৰ লিখি ৰাখিলে। তাৰ পিছত তেওঁ লগত লৈ অহা শিক্ষণীয় উপকৰণ মধ্যপ্ৰদেশৰ মানচিত্ৰখন উলিয়াই তাত সাতপুৰাক চিনাক্ত কৰিবলৈ দিলে। তাৰ পিছত তেওঁ

ছাত্র-ছাত্রীসকলক কবিতাটোৰ লগত পৰিচয় কৰাই দিলে। প্ৰথমদিনা তেওঁ নিজে কবিতা পঠন কৰি ছাত্র-ছাত্রীকো পঠন কৌশল আয়ত্ত কৰালে। তেওঁ প্ৰায় প্ৰতি গৰাকী ছাত্র-ছাত্রীকে কবিতা পঠন কৰালে। আলোচনাৰ মাধ্যমত সেইদিনাৰ পাঠ অন্ত পৰে আৰু ছাত্র-ছাত্রীসকলে অৰণ্যৰ জন্তুবোৰৰ দৈনিক ৰুটিন সম্পৰ্কে অনুমান কৰিব পাৰে।

**দিন - ২ ঃ** দ্বিতীয় দিনা পুনৰ কবিতা পাঠৰ দ্বাৰা কবিতাটোৰ পুনৰ আলোচনা কৰে। তাৰ পিছত তেওঁ কবিতাটোৰ প্ৰথম তিনিটা দফা পঢ়িবলৈ দিয়ে আৰু তাৰ পৰা সাম্ভাব্য চুটি প্ৰশ্ন আলোচনাৰ বাবে বাচি উলিয়াব দিয়ে। তেওঁ কঠিন শব্দৰ অৰ্থ আলোচনা কৰি আৰু তাৰ পৰা ছাত্র-ছাত্রীক বাক্য সাজিবলৈ দিয়ে।

**দিন - ৩ ঃ** তৃতীয় দিনা ছাত্র-ছাত্রীসকলে সৰৰ পঠন কৰে আৰু আলোচনাৰ মাধ্যমত কবিতাটো বুজিবলৈ চেষ্টা কৰে। নীহাই ছাত্র-ছাত্রীসকলক কবিতাটোৰ ভিতৰৰ পৰা নানা প্ৰশ্নৰ অৱতাৰণা কৰে। তাৰ পিছত তেওঁ ছাত্র-ছাত্রীসকলক কবিতাটোৰ বিষয়ে এটা অনুচ্ছেদ লিখিবলৈ কয় আৰু লিখিব নোৱাৰা ছাত্র-ছাত্রীসকলক তেওঁ সহায় কৰি দিয়ে।

**দিন - ৪ ঃ** চতুৰ্থ দিনা তেওঁ পুনৰ তৃতীয় দিনৰ মূল বিষয়সমূহ আলোচনা কৰে আৰু পাঠৰ শেষত দিয়া অনুশীলনীসমূহ ছাত্র-ছাত্রীৰ সহযোগত কৰিবলৈ আৰম্ভ কৰে। কিছুমান ছাত্র-ছাত্রীয়ে ভালদৰে উত্তৰ কৰিব নোৱাৰিলেও তেওঁ সহানুভূতিৰে সৈতে সহায় কৰি দিছিল। কাকো নিৰুৎসাহ কৰা নাছিল। তাৰ পিছত জীনাই ছাত্র-ছাত্রীসকলক যদি এদিনৰ বাবে তেওঁলোকে অৰণ্যত থাকিবলগীয়া হয় তেতিয়া কি কৰিব সেই বিষয়ে এটা অনুচ্ছেদ লিখিবলৈ দিয়ে।

**অগ্ৰগতি নিৰীক্ষণ— ৬**

১. কোনটো দিনত জীনাই ছাত্র-ছাত্রীৰ সহযোগত অনুশীলনী কৰিম বুলি ঠিক কৰিছিল?

ক. প্ৰথম দিন

খ. দ্বিতীয় দিন

গ. তৃতীয় দিন

ঘ. চতুৰ্থ দিন

২. ভাষা শিক্ষাৰ শ্ৰেণীত মানচিত্ৰ ব্যৱহাৰ কৰাৰ তাৎপৰ্য কি?

..........................................................................................................

..........................................................................................................

..........................................................................................................

৩. আপুনি জীনাক ভাল শিক্ষক বুলি ক'বনে, কিয়নো তেওঁ এবাৰো কবিতাটোৰ অৰ্থ নিজাকৈ ব্যাখ্যা নকৰিলে? যুক্তি সহকাৰে আপোনাৰ মতামত ব্যক্ত কৰক।

..............................................................................................................

..............................................................................................................

..............................................................................................................

৪. আপুনি কৰা তলৰ প্ৰশ্নটোৰ পৰা ছাত্ৰ-ছাত্ৰীৰ মাজত কোনটো শিকন কৌশলৰ বিকাশ হ'ব 'যদি তোমাক এদিনৰ অকলে অৰণ্যত থাকিবলৈ দিয়া হয় তুমি কি কৰিবা'?

..............................................................................................................

..............................................................................................................

..............................................................................................................

৫. ছাত্ৰ-ছাত্ৰীসকলক পাঠৰ শেষত দিয়া প্ৰশ্নৰ উত্তৰ নিজে নিজে কৰিবলৈ দিয়াটো শুদ্ধনে? আপোনাৰ যুক্তি প্ৰদৰ্শন কৰক।

..............................................................................................................

..............................................................................................................

..............................................................................................................

**৮.৬.৩ বৰ্ণমালা শিক্ষণ ঃ**

লোকেশ দিল্লীৰ দেৱনগৰ চৰকাৰী বিদ্যালয়ৰ প্ৰথম শ্ৰেণীৰ শিক্ষক। যদিও স্কুলখন মহানগৰত তথাপিও ছাত্ৰ-ছাত্ৰীসকল অৰ্থনৈতিকভাৱে অতি পিছপৰা শ্ৰেণীৰ। বেছিভাগ ছাত্ৰ-ছাত্ৰীৰ পিতৃ-মাতৃ শ্ৰমিক শ্ৰেণীৰ। আনকি থাকিবলৈ তেওঁলোকৰ নিজা ঘৰো নাই। তেওঁলোকে কামৰ বাবে এখন চহৰৰ পৰা আন এখন চহৰলৈ গুচি গৈছিল। ফলত তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে এখন স্কুলত ৩-৪ মাহ বা খুব বেছি এবছৰহে পঢ়িব পাৰিছিল। অনুপস্থিতিৰ হাৰ এই ল'ৰা-ছোৱালীবোৰৰ মাজত বৰ বেছি আছিল।

লোকেশৰ শ্ৰেণীত ১৫ গৰাকী ছাত্ৰ-ছাত্ৰী আছিল। ৫ গৰাকী নাম ভৰ্তি নকৰা ছাত্ৰ-ছাত্ৰীও আছিল। শ্ৰেণীকোঠাটোত কোনো ডেস্ক বা বেঞ্চ নাছিল। ছাত্ৰ-ছাত্ৰীয়ে বহিবলৈ ঘৰৰ পৰায়ে মেট (mat) লৈ আহিছিল।

লোকেশে শ্ৰেণীত হিন্দী বৰ্ণমালা শিকাবলগা হৈছিল। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক প্ৰথমতে শ্ৰেণীকোঠাত কি কি দেখিছে সুধিলে। যেনে— ফেন, চকী, বহী, কিতাপ ইত্যাদি। তাৰ পিছত তেওঁ সেই বস্তুবোৰৰ চিত্ৰ ছাত্ৰ-ছাত্ৰীক আঁকিবলৈ দি কাষত সেই চিত্ৰবোৰৰ নাম লিখিবলৈ দিলে। তেওঁ চাৰিদিনৰ পাঠ পৰিকল্পনা আছিল এনে ধৰণৰ—

- আখৰৰ শিক্ষাদান

- বৰ্ণমালাৰ শিক্ষাদান (কাহিনী কথন পদ্ধতিৰ জৰিয়তে)
- ছাত্ৰ-ছাত্ৰীৰ মতামত সম্পৰ্কে আলোচনা
- শব্দভাণ্ডাৰ বৃদ্ধি

**দিন - ১ ঃ** প্ৰসংগৰ সৈতে 'ৰ' (ra) আখৰৰ সৈতে চিনাকি

**দিন - ২ ঃ** প্ৰসংগৰ সৈতে 'ক' (ka) আখৰৰ সৈতে চিনাকি

**দিন - ৩ ঃ** প্ৰসংগৰ সৈতে 'স' (sa) আৰু 'ল' (la)ৰ সৈতে চিনাকি

**দিন - ৪ ঃ** একে শব্দৰ পৰা আখৰৰ চিনাকি।

**সাৰাংশ আৰু বিশ্লেষণ ঃ**

**দিন - ১ ঃ** লোকেশে প্ৰথম দিন 'ৰ' আখৰটো ছাত্ৰ-ছাত্ৰীৰ আগত খেলৰ সহায়ত চিনাকি কৰাৰ সিদ্ধান্ত ল'লে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলৰ যিবোৰৰ নামত 'ৰ' আছে ক'বলৈ ক'লে। তাৰ পিছত তেওঁ ছাত্ৰ-ছাত্ৰীৰ নামবোৰ বোৰ্ডত লিখি ল'লে আৰু 'ৰ' আখৰটোত দাগ দিলে। তাৰ পিছত তেওঁ বোৰ্ডত বাকচ এটা আঁকি ল'লে আৰু মেজিক দেখুৱা মানুহৰ দৰে বাকচৰ ভিতৰৰ পৰা 'ৰ' থকা শব্দকেইটামান উলিয়াই ল'লে, যেনে— ৰুমাল, ৰিক্সা, ৰেডিঅ' ইত্যাদি। এইদৰে ছাত্ৰ-ছাত্ৰীৰ সহযোগত তেওঁ 'ৰ' থকা আৰু বহুতো শব্দ উলিয়াই সেইবোৰ বোৰ্ডত লিখি ল'লে।

**দিন - ২ ঃ** দ্বিতীয় দিনা তেওঁ একে পদ্ধতিৰে 'ক' আখৰটোৰ বিভিন্ন শব্দ ছাত্ৰ-ছাত্ৰীৰ সহযোগত খেলৰ মাধ্যমত উলিয়াই ল'লে।

**দিন - ৩ ঃ** লোকেশে একে খেল 'স' আৰু 'ল'ৰ ক্ষেত্ৰতো প্ৰয়োগ কৰিছে। তাৰ পিছত তেওঁ পাঠ্যপুথিৰ পৰা দুটা কবিতা পঢ়িলে আৰু ছাত্ৰ-ছাত্ৰীক কবিতাটোত থকা 'ৰ', 'ক', 'স' আৰু 'ল' এই আখৰকেইটাত দাগ দিবলৈ ক'লে। ছাত্ৰ-ছাত্ৰীয়ে একেলগে চাৰিটা আখৰত দাগ দিবলৈ টান পোৱা দেখি লোকেশে সেয়া সলনি কৰি তেওঁলোকক এবাৰত এটা আখৰত দাগ দিবলৈ ক'লে।

**দিন - ৪ ঃ** এতিয়া ছাত্ৰ-ছাত্ৰীসকলে চাৰিটা আখৰ চিনাক্ত কৰিব পৰা হ'ল। এতিয়া লোকেশে এই চাৰিটা আখৰৰ দ্বাৰা বিভিন্ন শব্দ বোৰ্ডত লিখিলে আৰু ছাত্ৰ-ছাত্ৰীক চাৰিটা বাকচ কৰি শব্দবোৰ ভাগে ভাগে ভগাই দিব দিলে। ছাত্ৰ-ছাত্ৰীয়ে সুন্দৰভাৱে কৰিব পাৰিলে। এইদৰে তেওঁলোকে চাৰিটা আখৰ পঢ়িব আৰু লিখিব পৰা হ'ল।

**অগ্ৰগতি নিৰীক্ষণ— ৭**

১. লোকেশৰ চতুৰ্থদিনাৰ পৰিকল্পনা কি আছিল?

ক. ‘স’ আখৰৰ শিক্ষাদান

খ. ‘প’ আখৰৰ শিক্ষাদান

গ. ‘স’ আখৰৰ শিক্ষাদান

ঘ. পাঠৰ পুনৰালোচনা

২. আপুনি ভাবেনে লোকেশে বৰ্ণমালা শিক্ষাদানৰ উপযুক্ত পদ্ধতি অৱলম্বন কৰিছে? যদি হয়, তেন্তে কিয়?

..............................................................................................................

..............................................................................................................

..............................................................................................................

**৮.৬.৪ আৰ্হি পাঠ পৰিকল্পনা চাৰি— ৰাধাৰ শ্ৰেণীকোঠা ঃ**

ৰাধা এগৰাকী উচ্চ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়ত্ৰী। তেওঁৰ বিদ্যালয়খন ৰাজস্থানৰ আতাৰু ব্লকৰ। তেওঁ ইংৰাজী শিকায়। বিদ্যালয়খনত চহৰ আৰু গাঁও অঞ্চলৰ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰে। বেছিভাগ পিতৃ-মাতৃয়ে খেতিপথাৰ, গেলামালৰ দোকান, সৰু ৰেষ্টুৰেণ্ট, জোতাৰ দোকান ইত্যাদিত কাম কৰে। ৰাধাই অষ্টম মান শ্ৰেণীত ৪১ গৰাকী ছাত্ৰ-ছাত্ৰীক পাঠদান কৰে। তেওঁ সুবিধা পালে কবিতা পঢ়াই ভাল পায়। আমি তেওঁ পঢ়োৱা পাঠৰ এটা পৰিকল্পনা বাচি লৈছো। যিটো তেওঁ কিছুদিন ধৰি একেৰাহে বৰষুণ দিয়া দিনত পঢ়াইছিল। তেওঁৰ পাঠ পৰিকল্পনাৰ সাধাৰণ উদ্দেশ্যাৱলী হ'ল—

- কবিতাটোৰ আলোচনাৰ সময়ত ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয় অংশগ্ৰহণ
- ছাত্ৰ-ছাত্ৰীৰ মাজত কবিতাটোৰ এটা মানসিক চিত্ৰ দাঙি ধৰা
- আলোচনাৰ সহায়ত ভাষাৰ কৌশলসমূহৰ বিকাশ সাধন কৰা
- ছাত্ৰ-ছাত্ৰীৰ কবিতা শিকাৰ সময়ত আত্মবিশ্বাস বৃদ্ধি কৰা।

দিন অনুসৰি তেওঁৰ পাঠদানৰ বিশেষ উদ্দেশ্যবোৰ হ'ল—

**দিন - ১ ঃ**

১। বৰষুণৰ অভিজ্ঞতা ছাত্ৰ-ছাত্ৰীৰ লগত আদান-প্ৰদান কৰা

২। কবিতা আবৃত্তি কৰা আৰু শ্ৰেণীৰ ক্ৰিয়াকলাপৰ বিকাশ সাধন কৰা

৩। কবিতাৰ অৰ্থ আলোচনা কৰা

৪। দলীয়া ক্ৰিয়া-কলাপৰ জৰিয়তে কঠিন শব্দৰ অৰ্থ বিচাৰি উলিওৱা

**দিন - ২ ঃ**

১। চিত্ৰৰ সহায়ত কবিতাটোত পোৱা ‘অব্যয়’ পদবোৰৰ বিষয়ে আলোচনা

২। কবিতাটোৰ পটভূমি সম্পৰ্কে আলোচনা

**দিন - ৩ ঃ**

১। বিশেষণ পদৰ শিক্ষাদান আৰু তেওঁলোকক কবিতাটোৰ পৰা বিশেষণ পদসমূহ বাচি উলিয়াব দিয়া

**দিন - ৪ ঃ** পাঠৰ শেষত দিয়া অনুশীলনীসমূহৰ অভ্যাস কৰা।

**বিশ্লেষণ ঃ**

**দিন - ১ ঃ** ৰাধাই ছাত্ৰ-ছাত্ৰীক বৰষুণৰ অভিজ্ঞতাৰ বিষয়ে সুধিব আৰু খেলৰ জৰিয়তে পাঠদান আৰম্ভ কৰিব। তেওঁ প্ৰতি গৰাকী ছাত্ৰ-ছাত্ৰীকে ‘বৰষুণ’ শব্দটো কোৱাৰ লগে লগে তেওঁলোকৰ মনলৈ তৎক্ষণাৎ অহা শব্দ এটা ক’বলৈ ক’লে। তাৰ পিছত এজন ছাত্ৰক কবিতাটো জোৰেৰে পঢ়িব দিলে। তাৰ পিছত ছাত্ৰ-ছাত্ৰীসকলক কবিতাটো ক্ৰিয়া-কলাপ দেখুৱাই পঢ়িবলৈ দিলে। যাৰ ফলত ছাত্ৰ-ছাত্ৰীৰ কবিতাটো সহজে বোধগম্য হ’ল।

**দিন - ২ ঃ** ৰাধাই ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ গাঁওৰ চিত্ৰ এখন আঁকিবলৈ দিলে। যেতিয়া তেওঁ দেখিলে যে ছাত্ৰ-ছাত্ৰীয়ে গাঁওৰ ছবি আঁকিব টান পাইছে তেতিয়া তেওঁ উদ্দেশ্য সলনি কৰি তেওঁলোকৰ গাঁওৰ পৰা বিদ্যালয়লৈ অহা ৰাস্তাৰ ছবি আঁকিব দিলে। কিয়নো এয়া কবিতাটোৰে এটা অংশ আছিল। তাৰ পিছত তেওঁ ছাত্ৰ-ছাত্ৰীসকলক এটা ডাঙৰ পঁজা ঘৰ আৰু এডাল গছ আঁকিব দিলে। তাৰ পিছত তেওঁ বোৰ্ডত ‘ভিতৰত’, ‘বাহিৰত’, ‘ওপৰত’ আদি অব্যয় পদবোৰ লিখিলে আৰু ছাত্ৰ-ছাত্ৰীসকলক ইয়াৰ ব্যৱহাৰৰ বিষয়ে গছ আৰু পঁজাঘৰৰ ছবিৰ জৰিয়তে বুজাই দিলে। এইদৰে ৰাধাই বিভিন্ন উদাহৰণৰ দ্বাৰা অব্যয় পদৰ জ্ঞান দিলে।

**দিন - ৩ ঃ** তৃতীয় দিনা ৰাধাই কবিতাটো পঢ়িলে আৰু কিছুমান কথা প্ৰশ্ন-উত্তৰৰ সহায়ত বুজাই দিলে। যেনে ঃ তেওঁ ‘বাগিছা’ শব্দটো বোৰ্ডত লিখি দি সেই শব্দটোৰ বিষয়ে ছাত্ৰ-ছাত্ৰীক উপস্থাপন কৰিবলৈ দিলে কিছুমান বিশেষণ পদৰ সহায়ত, যেনে ঃ সেউজীয়া, বিশাল, ডাঙৰ ইত্যাদি। তাৰ পিছত তেওঁ কবিতাটোত থকা বিশেষণ পদবোৰ বাচি উলিয়াই দাগ দিবলৈ দিলে।

**দিন - ৪ ঃ** চতুৰ্থ দিনা ৰাধাই পাঠত থকা অনুশীলনী উলিয়াই ল’লে। তেওঁ প্ৰশ্নবোৰ জোৰে জোৰে পঢ়ি দিলে। ছাত্ৰ-ছাত্ৰীসকলে যেতিয়া ইংৰাজীত পঢ়ি দিয়া বাবে বুজি নাপালে তেতিয়া তেওঁ হিন্দী আৰু স্থানীয় ভাষাত বুজাই দিলে। ছাত্ৰ-ছাত্ৰীয়ে দিয়া উত্তৰবোৰ তেওঁ বোৰ্ডত লিখি দিলে। যিবোৰ ছাত্ৰ-ছাত্ৰীয়ে স্থানীয় ভাষাত উত্তৰ দিছিল সেইবোৰো তেওঁ ইংৰাজীত অনুবাদ কৰি লিখি দিলে। শেষত ছাত্ৰ-ছাত্ৰীসকলে সেইবোৰ উত্তৰ নিজৰ বহীত টুকি ল’লে।

**অগ্ৰগতি নিৰীক্ষণ— ৮**

১. ৰাধাই কোন বিষয়টো পঢ়াইছিল?

ক. হিন্দী খ. ইংৰাজী

গ. বিজ্ঞান ঘ. অংক

২. ৰাধাই ছাত্ৰ-ছাত্ৰীসকলক শেষৰ দিনাখন বোৰ্ডৰ পৰা উত্তৰবোৰ টুকি ৰাখিব কৈছিল। ইয়াৰ পৰা তেওঁলোকে আন ভাষা শিকিব পাৰিলেনে?

..........................................................................................................

..........................................................................................................

..........................................................................................................

৩. যদি আপোনাক তৃতীয় শ্ৰেণীত একে কবিতা পঢ়াব দিয়া হয়, তেতিয়া হ'লে আপোনাৰ পাঠ পৰিকল্পনা কেনেকুৱা হ'ব প্ৰস্তুত কৰক।

..........................................................................................................

..........................................................................................................

..........................................................................................................

**৮.৬.৫ কাহিনী কথন কৌশল ঃ**

কৌশলে হাৰিয়ানাৰ ফৰিদাবাদ নামৰ ঠাইত পঞ্চমমান শ্ৰেণীত ২৫ গৰাকী নিম্ন মধ্যবিত্ত পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীক পঢ়ায়। বেছিভাগ পিতৃ-মাতৃয়ে হ'ল শ্ৰমিক আৰু কিছুমান বাটৰ কাষৰ ফল-মূল বিক্ৰেতা।

আজি কৌশলে হাৰিয়ানা বৰ্ডৰ নৰম পাঠটো পঢ়াব। পাঠটো নৰেন্দ্ৰ নামৰ ল'ৰা এজনৰ বাল্যকালৰ কাহিনী যিজনে পিছলৈ এজন বিখ্যাত ব্যক্তি হৈ পৰিল। কৌশলে শ্ৰেণীকোঠাত যোৱাৰ আগতে পাঠটো ভালদৰে পঢ়ি ল'লে।

**দিন - ১ ঃ** কৌশলে ল'ৰা-ছোৱালীসকলৰ তেওঁলোকৰ বাল্যকালৰ অভিজ্ঞতাসমূহ বৰ্ণনা কৰিব দিলে আৰু তেওঁলোকে বাল্যকালত কৰা ল'ৰা-ধেমালিৰ বাবে কি কি শাস্তিৰ সন্মুখীন হৈছিল সেয়াও সুধিলে। কৌশলে লগতে নিজৰ বাল্যকালৰ অভিজ্ঞতা ছাত্ৰ-ছাত্ৰীৰ আগত ব্যক্ত কৰিলে। তাৰ পিছত তেওঁ পাঠটো জোৰেৰে পঢ়িলে। তেওঁৰ দুই এজনৰ বাহিৰে আটাইবোৰে ইংৰাজী পঢ়িব নোৱাৰিছিল। তেওঁ বিভিন্ন ক্ৰিয়া-কলাপ আৰু সুৰ লগাই পাঠটো পঢ়ি গৈছিল। কৌশলে পঢ়া প্ৰথম তিনিটা অনুচ্ছেদ নৰেন্দ্ৰৰ বাল্যকালৰ বিষয়ে আছিল। আলোচনা আৰু ব্যাখ্যাৰ পিছত তেওঁ তলৰ প্ৰশ্নবোৰ বোৰ্ডত লিখি দিছিল—

নাম..........................................................................

বয়স..................................................................................

মাতৃৰ নাম.........................................................................

মাতৃয়ে কি কৰে...................................................................

পিতৃৰ নাম.........................................................................

পিতৃয়ে কি কৰে...................................................................

তুমি কি ভালপোৱা...............................................................

তুমি কি বেয়াপোৱা................................................................

তাৰ পিছত কৌশলে ছাত্ৰ-ছাত্ৰীক প্ৰথম অনুশীলনী হিচাপে নৰেন্দ্ৰৰ বিষয়ে পাঠ্যপুথিৰ পৰা বাচি উলিয়াব দিলে। তাৰ পিছত তেওঁ ওপৰত দিয়া প্ৰশ্নবোৰ ইজনে সিজনৰ পৰা সংগ্ৰহ কৰি উত্তৰবোৰ পূৰাব দিলে। ল'ৰা আৰু ছোৱালীয়ে প্ৰথমতে ইজনে সিজনক সুধিব সংকোচ কৰিছিল। কিছু পিছত তেওঁলোক সহজ হৈ গৈছিল।

**দিন - ২ ঃ** দ্বিতীয় দিনা কৌশলে কাহিনীটোৰ বাকী অংশ পঢ়ি শুনালে। তাৰ পিছত তেওঁ ছাত্ৰ-ছাত্ৰীসকলক চাৰিটা দলত ভাগ কৰি দিলে আৰু প্ৰত্যেকটা দলকে নৰেন্দ্ৰ সম্পৰ্কে তিনি শাৰী লিখিব দিলে। প্ৰতিটো দলে আলোচনাৰ মাধ্যমত লিখি উলিয়ালে।

**দিন - ৩ ঃ** কৌশলে তৃতীয় দিনা দলীয় ক্ৰিয়াকলাপসমূহ নিৰীক্ষণ কৰি প্ৰতিটো দলকে নম্বৰ দিলে। তাৰ পিছত তেওঁ আলোচনাৰ বাবে কিছুমান পইণ্ট বাচি লৈ সেইবোৰ বোৰ্ডত লিখি দিলে আৰু পইণ্টাৰৰ সহায়ত আলোচনা কৰিলে।

**দিন - ৪ ঃ** চতুৰ্থ দিনা কৌশলে পাঠৰ শেষত দিয়া প্ৰশ্নবোৰৰ উত্তৰ ছাত্ৰ-ছাত্ৰীসকলক বাচি উলিয়াব দিলে। ছাত্ৰ-ছাত্ৰীয়ে দিয়া উত্তৰবোৰ তেওঁ বোৰ্ডত লিখি দিলে। এইদৰে আলোচনাৰ মাধ্যমত গোটেই অনুশীলনী সম্পূৰ্ণ কৰা হ'ল।

**অগ্ৰগতি নিৰীক্ষণ— ৯**

১. দ্বিতীয় দিনা কাহিনীটো পঢ়োতে কৌশলে কি ভাষা ব্যৱহাৰ কৰিছিল?

ক. স্থানীয় ভাষা　　খ. ইংৰাজী

গ. উৰ্দু　　ঘ. হিন্দী

২. কৌশলে কিয় ছাত্ৰ-ছাত্ৰীসকলক নৰেন্দ্ৰৰ পৰিৱৰ্তে ইজনে সিজনৰ বিষয়ে লিখিবলৈ কৈছিল?

..........................................................................................................

..........................................................................................................

..........................................................................................................

৩. কৌশলে কিয় ছাত্র-ছাত্রীসকলক চাৰিটা দলত ভাগ কৰি দিছিল?

..........................................................................................................

..........................................................................................................

..........................................................................................................

৪. দলীয় ক্রিয়া-কলাপে কিদৰে ছাত্র-ছাত্রীৰ শিকনত সহায় কৰে?

..........................................................................................................

..........................................................................................................

..........................................................................................................

**৮.৭ প্রচাৰ পত্র আৰু বিজ্ঞাপন ঃ**

প্রচাৰ পত্র আৰু বিজ্ঞাপন পাঠ পৰিকল্পনাৰ বাবে অতি প্রয়োজনীয়। ইয়াৰ দ্বাৰা আমাৰ জীৱনৰ আৰু পৰিৱেশৰ লগত সংলগ্ন থকা কথাবোৰ অতি সহজ আৰু সুন্দৰভাৱে উপস্থাপন কৰিব পাৰি।

আমি বিভিন্ন ধৰণৰ ফলক, প্রচাৰ পত্র আৰু বিজ্ঞাপন বিদ্যালয়, অফিচ, দোকান, বজাৰ আদিত দেখা পাওঁ। এইবোৰৰ ভাষা সাধাৰণতে সকলোৰে সহজতে বুজিব আৰু পঢ়িব পৰা বিধৰ হয়। এয়াই আমাৰ পঠন দক্ষতা বৃদ্ধি কৰে।

এইবোৰ ব্যৱহাৰ কৰাৰ বাবে বিভিন্ন ধৰণৰ উপায় আছে। আপুনি ছাত্র-ছাত্রীসকলক প্রচাৰ পত্র বা বিজ্ঞাপন এটা প্রকল্প হিচাপে বনাব দিব পাৰে (ছবি অঁকা আৰু লিখনৰ সহায়ত)

নিম্ন প্রাথমিক শ্রেণীত, যেনে— তৃতীয় শ্রেণীত, ছবি চাই ছাত্র-ছাত্রীয়ে শব্দৰ তালিকা বনাব পাৰে। আপুনি তেওঁলোকক এখন ফলক দেখুৱাই তাৰ কি অর্থ সুধিব পাৰে আৰু তেওঁলোককো সেই কথাখিনি নিজৰ ভাষাত লিখিবলৈ দিব পাৰে।

**অগ্রগতি নিৰীক্ষণ— ১০**

১. আমাৰ চাৰিওফালে দেখি থকা প্রচাৰপত্র আৰু বিজ্ঞাপনবোৰ আমাৰ আগত যিকোনো বস্তু বা কথা কিদৰে উপস্থাপন কৰে—

ক. কঠিনভাৱে

খ. অনা আকর্ষণীয়ভাৱে

গ. সহজ আৰু আকর্ষণীয়ভাৱে

ঘ. আমনি লগাকৈ

২. আপোনাৰ অঞ্চলত দেখা পোৱা ২০ খন প্ৰচাৰ পত্ৰ আৰু বিজ্ঞাপনৰ তালিকা প্ৰস্তুত কৰক।

.................................................................................................................

.................................................................................................................

.................................................................................................................

৩. পঞ্চম মান শ্ৰেণীৰ পাঠ পৰিকল্পনাৰ বাবে আপুনি কেনেধৰণৰ প্ৰচাৰ পত্ৰ বনাব? ইয়াৰ লগত সম্পৰ্ক থকা পাঁচটা প্ৰশ্নৰ তালিকা কৰক।

.................................................................................................................

.................................................................................................................

.................................................................................................................

৪. আপোনাৰ মতে এইবোৰ ভাষা শিক্ষাৰ শ্ৰেণীত ব্যৱহাৰ কৰাৰ বাবে আৱশ্যকতা আৰু সুফল আছেনে? প্ৰচাৰ পত্ৰ আৰু বিজ্ঞাপন আৰু আন উপায়ে ব্যৱহাৰ কৰিব পাৰি নেকি?

.................................................................................................................

.................................................................................................................

.................................................................................................................

৫. প্ৰথম শ্ৰেণীৰ বাবে কিছুমান বিজ্ঞাপন ব্যৱহাৰ কৰি এটা পাঠ পৰিকল্পনা প্ৰস্তুত কৰক আৰু চতুৰ্থ শ্ৰেণীৰ বাবে একে বিজ্ঞাপন ব্যৱহাৰ কৰি বেলেগ এটা পাঠ পৰিকল্পনা প্ৰস্তুত কৰক।

.................................................................................................................

.................................................................................................................

.................................................................................................................

**৮.৮ কেনেকৈ পাঠ পৰিকল্পনা প্ৰস্তুত কৰিব পাৰি ঃ**

শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী— এটা দুটা হ'ল শ্ৰেণীকোঠাৰ গুৰুত্বপূৰ্ণ উপাদান। ইয়াৰ বাহিৰেও শ্ৰেণীকোঠাৰ আনবোৰ উপাদান হ'ল— পাঠ্যপুথি, পাঠ, পৰীক্ষা, ছাত্ৰ-ছাত্ৰীয়ে আহৰণ কৰা অভিজ্ঞতা আৰু পিতৃ-মাতৃৰ প্ৰত্যাশা আদি। এই আটাইবোৰ কথা মনত ৰাখিহে পাঠ পৰিকল্পনা প্ৰস্তুত কৰিব লাগে। সেইবাবে শিক্ষকে নিজৰ মনত এখন পৰিকল্পনা ৰাখিব লাগে যাতে শেষ মুহূৰ্ততো তেওঁ সেইখন প্ৰয়োজন অনুসাৰে সলনি কৰিব পাৰে।

এতিয়া আমি পাঠ পৰিকল্পনা এখন প্ৰস্তুত কৰোতে কি কি দিশৰ ওপৰত গুৰুত্ব দিব লাগে চাওঁ আহক—

**১. শ্ৰেণীৰ সময় ঃ** শিক্ষকে প্ৰথমতে জানিব লাগিব যে সপ্তাহত কিমান শিক্ষণীয় দিন আৰু কিমান শিক্ষণীয় সময় (ঘণ্টা) আছে আৰু পাঠ্যক্ৰম শেষ কৰিবলৈ বছৰটোত কিমান দিন ধৰি দিয়া আছে। ইয়ে আপোনাক শিক্ষণীয় উদ্দেশ্য স্থিৰ কৰাত সহায় কৰিব।

**২. ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আৰু বয়সৰ গড়**

**৩. পাঠৰ নাম**

**৪. পূৰ্বজ্ঞান ঃ** ছাত্ৰ-ছাত্ৰীৰ পূৰ্বজ্ঞান জনাটো অত্যন্ত দৰকাৰ। কাৰণ পূৰ্বজ্ঞানৰ সহায়ত আপুনি নতুন পাঠৰ পৰিকল্পনা কৰিব পাৰিব। যদি এজন শিক্ষকে তৃতীয় শ্ৰেণীত ইংৰাজী ভাষাৰ পাঠদান কৰে, তেনেহ'লে তেওঁ ধাৰণা কৰিব পাৰে যে ছাত্ৰ-ছাত্ৰীসকলৰ আখৰ আৰু নম্বৰ সম্পৰ্কে জ্ঞান। যদি কেইজনমান ছাত্ৰ-ছাত্ৰীয়ে সেয়াও নাজানে তেনেহ'লে তেওঁ সেইখিনি মিলাই লৈহে পাঠ পৰিকল্পনা প্ৰস্তুত কৰিব লাগিব।

**৫. সাধাৰণ উদ্দেশ্য ঃ** পাঠৰ জৰিয়তে উপনীত হোৱা উদ্দেশ্যই হ'ল পাঠৰ সাধাৰণ উদ্দেশ্য।

**৬. বিশেষ উদ্দেশ্য ঃ** দৈনিক পৰিকল্পনাৰ বাবে কৰা উদ্দেশ্যই হ'ল বিশেষ উদ্দেশ্য।

**৭. পদ্ধতি/প্ৰক্ৰিয়া ঃ** সাধাৰণ আৰু বিশেষ উদ্দেশ্যৰ প্ৰতি লক্ষ্য ৰাখি পদ্ধতি/প্ৰক্ৰিয়া নিৰ্ধাৰণ কৰিব লাগে।

**৮. স্ব-মূল্যায়ন ঃ** স্ব-মূল্যায়নৰ ঠাইখিনি শূন্য ৰাখিব লাগে। শিক্ষকে পাঠদানৰ শেষত এয়া পূৰ কৰিব লাগে। তেওঁ কি কি শুদ্ধ আৰু ভুল কৰিলে, তেওঁ শিক্ষণীয় উদ্দেশ্যত উপনীত হ'ব পাৰিলে নে নাই এই আটাইবোৰ কথা লিপিবদ্ধ কৰিব লাগে। তেতিয়াহে তেওঁ পৰৱৰ্তী পাঠ পৰিকল্পনাত সেইবোৰ শুধৰাব পাৰিব।

**৯. মন্তব্য/পৰামৰ্শাৱলী ঃ** এই অংশটোৱে আপোনাক নিজৰ অভিজ্ঞতা আৰু সেইমতে পৰিকল্পনা কৰিবলৈ সহায় কৰিব আৰু বাকী দিনবোৰৰ ক্ৰিয়াকলাপ ঠিক কৰাৰ ক্ষেত্ৰত সহায়ক হ'ব।

**অগ্ৰগতি নিৰীক্ষণ— ১১**

১. সাধাৰণতে এখন পাঠ পৰিকল্পনা প্ৰস্তুত কৰিবলৈ হ'লে কিমানটা দিশৰ প্ৰতি গুৰুত্ব দিব লাগে?

ক. চাৰি

খ. পাঁচ

গ. ন

ঘ. বাৰ

২. স্ব-মূল্যায়ন কি?

..........................................................................................................

..........................................................................................................

..........................................................................................................

৩. সাধাৰণ উদ্দেশ্য আৰু বিশেষ উদ্দেশ্যৰ মাজত পাৰ্থক্য কি?

..........................................................................................................

..........................................................................................................

..........................................................................................................

৪. আপুনি পাঠ পৰিকল্পনা এখন কৰোতে কি কি দিশ অন্তৰ্ভুক্ত কৰিব বিচাৰে?

..........................................................................................................

..........................................................................................................

..........................................................................................................

এই অধ্যায়টোৱে আপোনাক বিভিন্ন ধৰণৰ পাঠ পৰিকল্পনা প্ৰস্তুত কৰাত সহায় কৰিব।

**৮.৯ অধ্যায়টোৰ পৰা আমি কি শিকিলো ঃ**

- যদি আমি পাঠৰ পৰিকল্পনা সঠিক কৈ কৰোঁ, তেতিয়াহ'লে আমি সুপৰিকল্পিতভাৱে পাঠদান কৰিব পাৰো।
- এইটো অতি দৰকাৰী কথা যে আমি আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ পটভূমি, শ্ৰেণীকোঠাৰ পৰিস্থিতি আৰু পাঠৰ পটভূমি আদিৰ গম লৈহে পাঠ পৰিকল্পনা কৰিব লাগে।
- প্ৰাথমিক পৰ্যায়ত ছাত্ৰ-ছাত্ৰীসকলক নিঃসংকোচে ভাষা ক'বলৈ সুযোগ দিব লাগে আৰু তেওঁলোকে যি ভাষা জানে সেই ভাষাতে কথা ক'বলৈ দিব লাগে।
- এইটো সত্য নহয় যে আপুনি কৰা পৰিকল্পনা মতে তেওঁলোকে শিকিব। তেওঁলোকে নিজৰ চিন্তা অনুযায়ী শিকিব খোজে। সেইবাবে ছাত্ৰ-ছাত্ৰীসকলক ক্ৰিয়া কলাপৰ দ্বাৰা ব্যস্ত ৰাখিব লাগে আৰু সেইমতে পাঠ পৰিকল্পনা কৰিব লাগে।
- যদি শিক্ষকে পাঠদান কৰাৰ আগতে দুবাৰ-তিনিবাৰ পাঠটো পঢ়ি লয় তেতিয়াহ'লে তেওঁ সহজতে পাঠদান কৰিব পাৰিব।
- পাঠদান কৰাৰ আগতে শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা, তেওঁলোকৰ বয়সৰ গড়, শ্ৰেণীকোঠাৰ পৰিস্থিতি, ছাত্ৰ-ছাত্ৰীৰ পূৰ্বজ্ঞান আদি জনাটো দৰকাৰ।

**ক্ৰিয়াকৰ্ম ঃ**

তলৰ তিনিটা পাঠ পৰিকল্পনা প্ৰস্তুত কৰক—

১. কবিতা শিক্ষাদান

২. কাহিনী শিক্ষাদান

৩. নাটক শিক্ষাদান

আৰু আপোনাৰ অভিজ্ঞতা লিখক।

**৮.১০ তথ্যৰ উৎস ঃ**

ভাগ-২, (২০০০) পাটনা ঃ বিহাৰ ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন পৰিষদ

ব্লক ৫, (২০০৪) পঞ্চকুলা ঃ হাৰিয়ানা চৰকাৰ, পাঠ্যপুথি ছপাখানা

**৮.১১ অনুশীলনী ঃ**

ওপৰৰ আৰ্হি পাঠ পৰিকল্পনাৰ পৰা আপুনি কি কি শিকিলে তাৰ এখন তালিকা প্ৰস্তুত কৰক।
তলৰ দিশবোৰলৈ লক্ষ্য ৰাখি আপোনাৰ উত্তৰসমূহ ব্যাখ্যা কৰক—

- শিক্ষকৰ ভূমিকা
- শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ